# সম্রাট

কবিঃ নৱকান্ত বৰুৱা

মই জানো মই ক্লীৱ।
যদিও বা প্ৰাণকীট আশু অংকুৰিত মোৰ
ৰমণীৰ ফলদা কুক্ষিত। মই জানো মই ক্লীৱ,
যদ্যপি শক্তিৰ স্ফূৰ্ত্তি অযুত কৰীৰ, তথাপি সি
অন্ধ শক্তি, বিলম্বিত ন্যায়-দণ্ড পৰে যেন
ভ্ৰান্ত তস্কৰত।
মই জানো মই ক্লীৱ। কাৰণ ন্যায়ৰ সূত্ৰ প্ৰতিশাখ্য।
অভিজ্ঞতা ভিত্তি মাথোঁ মোৰ; কল্পনাৰ উন্মুক্ত পৱনে
নোতোলে লহৰ তাত পৌৰুষ অথবা নাৰীত্বৰ।
মই জানো মই ক্লীৱ। যেহেতু অপৰিমেয়
শক্তি মোৰ নিৰ্ব্বিকাৰে সহ কৰিবৰ বাবে
সাধাৰণ মানুষী ভ্ৰান্তিৰ আক্ৰমণ ।
মই ক্লীৱ কল্পনাবিহীন অভিজ্ঞতা,
আৰু তাৰ
অমোঘ নিবিড় অন্ধকাৰ।
বসন্তৰ হ'ল শেষ। জোঁট লগা পলাশ-ডালত
শেষ হ'ল শাৰিকাৰ চটুল কাকলি।
শালৰ সুৱাস-ৰিক্ত বতাহত স্বেদৰ ইংগিত।
দিনৰ ঘৰ্ম্মাক্ত চিন্তা সিন্ধিয়াই শীতল কৰেহি।
কাণে কাণে বই যায় পূবালি বতাহ
বৰ্ষাৰ সংকেত লই। মই ভাবোঁ, মইয়ে সম্ৰাট,
যদিওবা ৰাজ্য মোৰ নিৰ্বিকাৰ মানচিত্ৰ।
বিধৱাৰ সীমান্তৰে আঁকা। মোৰ সৈন্য
প্ৰান্তৰৰ শিলৰ চেপত সৌৰা গজি আছে
দীঘলীয়া ঘাঁহ। মই পিতা,
যদিওবা মোৰ পুত্ৰ হঠাত চকুত আহি পৰা
উৰণীয়া চিতাৰ কুকুহা।
এটোপা অশ্ৰুৰ কণা ওলাই আহিব খুজি
ৰৈ যায়, হে সঞ্জয়,
শোণিতত আনি দিয়ে বিষাক্ত মাদক প্ৰতিক্ৰিয়া
-নিৰন্ধ্ৰ চকুত নাই পোহৰৰ পথ!
তথাপি সম্ৰাট মই,পিতা মই।
যদিওবা ক্লীব মই হতাশ্বাস আত্মকীৰ্তি ধ্বংসৰ দৰ্শক

সম্ৰাটৰ সিংহাসন শোভা কৰা নিৰ্বিকাৰ অলংকাৰ
পিতৃত্বৰ হেজাৰ ভ্ৰান্তিৰ৷ পিতৃত্বৰ আশীৰ্ব্বাদ
সম্ৰাটৰ অভিজ্ঞান–যুক্ত এক দান–পত্ৰ কিয়নো ন,হল?
পিতাৰ উৎকণ্ঠা আৰু মোহ উদ্বেগেৰে মই
শুক্ৰনীতি ৰচিলোঁ নিৰ্ভয়ে৷ সাম্ৰাজ্যৰ চক্ৰজালে
আনহাতে পিতৃত্বক কৰিলে বঞ্চনা৷
প্ৰজাৰ ন'হলো পিতা, হ'লো সন্তানৰ
সম্ৰাটৰ আসনৰপৰা৷
যেতিয়া চৰম ক্ষণ আহিছিল সম্ৰাটৰ
পিতৃত্বৰ নৈতিক গৌৰৱ–অৰ্জ্জনৰ,
তেতিয়া সম্ৰাটে আহি ৰোধিলে পিতাৰ কণ্ঠ
ক'লে কাণে কাণে–ৰাষ্ট্ৰৰ শ্লীলতা নাই,
ৰাষ্ট্ৰৰ সৌজন্য এক দুৰ্ব্বলতা৷ ৰাষ্ট্ৰক্লীৱ৷ নাৰীৰ নগ্নতা স'তে
শস্যহীন প্ৰান্তৰৰ নগ্নতাৰ অকণো প্ৰভেদ নাই!
ৰাষ্ট্ৰ পিতা, কন্যাৰ নগ্নতা–পিতাৰ সহজ অভিজ্ঞতা৷
মানুহৰ গ্লানি য'ত–ক্লীৱতাৰ তাতেই মৰ্য্যাদা৷
নীতিৰ নামত মই বিশ্বাসেৰে খেলিলোঁ হেতালি
সকলোটি হ'ল খেলিমেলি
কোন সত্য? নীতিৰ ক্লীৱতা নতু হৃদয়ৰ পৰম নিৰ্ভৰ?
আজি মোৰ অন্ধ দুচকুত নামিছে নতুন অভিজ্ঞতা৷
হে সঞ্জয়, আজি মই জানো, স্বপ্ন কিনো৷
স্বপ্নই সানিলে আহি কল্পনাৰ তুলসী চন্দন
অন্ধ অভিজ্ঞতাশিলা হ'ল শালগ্ৰাম৷
স্বপ্নই দিলেহি দৃষ্টি জীৱনত আলোক বঞ্চিত এই
জৰদগৱ অন্ধ সম্ৰাটক....